**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-MAY-2026
**Time :** 1205  PM

***Assamese 1205 AM Bulletin***
***Headlines***

——————————————

০০০০০০

১।	বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখনক লৈ আলোচনা অব্যাহত।

২।	জুলাইৰ প্ৰথম সপ্তাহত হ'বলগীয়া বাজেট অধিৱেশনত মূল্যবৃদ্ধি ৰোধৰ বাবে বিশেষ নীতি ধাৰ্য কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩।	কৰ্মচাৰী ৰাজ্যিক বীমা নিগমৰ ৪০ বছৰতকৈ অধিক বয়সৰ বীমাকৃত শ্ৰমিকৰ বাবে দেশজোৰা বিনামূলীয়া বাৰ্ষিক স্বাস্থ্য পৰীক্ষা কাৰ্যসূচী।

**আৰু**

৪।	বিগত বৰ্ষৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ আই পি এলৰ ফাইনেলত প্ৰৱেশ। আজি প্ৰথম নকআউট খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি।

০০০০০০

বিধানসভাত বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক সন্দৰ্ভত আলোচনা চলি আছে। আলোচনাত অংশ লৈ শাসকীয় বিজেপি দলৰ বিধায়ক পীযুষ হাজৰিকাই ৰাষ্ট্ৰীয় সংহতি আৰু সমতাৰ বাবে বিধেয়কখন জৰুৰী বুলি মন্তব্য কৰে।

বাইট

শাসক পক্ষৰ হৈ বিশ্বজিৎ দৈমাৰীয়েও বিধেয়কখনৰ সপক্ষে যুক্তি দাঙি ধৰে। আনহাতে, বিৰোধীয়ে ইয়াক সংখ্যালঘুৰ অধিকাৰৰ ওপৰত হস্তক্ষেপ আৰু বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰিছে। অন্তিম দিনা এই গুৰুত্বপূৰ্ণ বিষয়ক লৈ হোৱা বিতৰ্কই অধিবেশনৰ সামৰণিত বিশেষ মাত্ৰা প্ৰদান কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে সামগ্ৰীৰ মূল্য বৃদ্ধি নিয়ন্ত্ৰণ তথা জনসাধাৰণক কিছু পৰিমাণে ইয়াৰ পৰা সকাহ দিবৰ বাবে অহা জুলাইৰ প্ৰথম সপ্তাহত দাখিল কৰিবলগা বাজেটত বিশেষ ৰূপৰেখা প্ৰস্তুত কৰিব বুলি কালি সদনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্যক্ত কৰে। বিধানসভাত ৰাজ্যপালে দিয়া ভাষণৰ বিতৰ্কত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয়, যে ইৰান আৰু আমেৰিকাৰ যুদ্ধ তথা হৰমুজ প্ৰণালীৰ অস্থিৰতাই সমগ্ৰ বিশ্বৰে আৰ্থিক গতি স্থবিৰ কৰিছে। স্বাভাৱিকতে ভাৰতৰ লগতে অসমতো ইয়াৰ ভয়াৱহ প্ৰভাৱ পৰাটো সকলোৰে পৰিলক্ষিত হৈছে। বিশেষকৈ সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ বিষয়টো অতি চিন্তাজনক আৰু ৰাজ্য চৰকাৰে এই দিশত আন্তৰিকতাৰে গুৰুত্ব আৰোপ কৰি সমাধানৰ বাবে চেষ্টা চলাই থকা বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে নতুন চৰকাৰখনে মূল্য বৃদ্ধি ৰোধ তথা বজাৰ নিয়ন্ত্ৰণ কৰি ৰখাৰ বাবে ইতিমধ্যে দায়িত্ব লোৱাৰ পাছতে তাৎক্ষণিকভাৱে ব্যয় সংকোচন কৰাৰ দিশত দৃঢ়তাৰে কাম কৰি মিতব্যয়ীতাৰ কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। অনাগত বাজেটত ৰাহি হোৱা ধনেৰে মূল্য বৃদ্ধি ৰোধ কৰি জনসাধাৰণক সকাহ দিব পৰা ফলপ্ৰসূ

নীতিৰ ৰূপৰেখাও ৰাজ্য চৰকাৰে তৈয়াৰ কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা অনুসৰি অহা জুলাইৰ প্ৰথম সপ্তাহতে ৰাজ্য চৰকাৰে বাজেট দাখিল কৰিব আৰু সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰো ব্যৱস্থা কৰিব। তেওঁ লগতে পেট্ৰ'ল আৰু ডিজেলৰ আন্তৰ্জাতিক বজাৰ মূল্য দ্ৰুতগতিত বৃদ্ধি হোৱাৰ বাবে অনাগত সময়ত ৰাজ্যত খাদ্য তথা অন্যান্য সামগ্ৰীৰ দাম বৃদ্ধি আগতীয়া ইংগিতো লাভ কৰা বুলি জানিবলৈ দিয়ে। ভাৰতে ইন্ধনৰ লগতে কৃষিজাত তথা অন্যান্য বহু সামগ্ৰী বিদেশৰ পৰা ক্ৰয় কৰিবলগীয়া হোৱাৰ বাবে যুদ্ধ পৰিৱেশত দেশৰ বৈদেশিক মুদ্ৰা ভাণ্ডাৰ যোৱা ৪ মাহত হ্ৰাস পোৱা বুলি উল্লেখ কৰি তেওঁ পূৰ্বে জমা থকা ৭২০ বিলিয়ন বিদেশী মুদ্ৰা এতিয়া হ্ৰাস হৈ ৬৮৮ বিলিয়ন হোৱা বুলি সদনত জনায়। অৱশ্যে এই কঠিন সময়তো দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃঢ় নীতিয়ে ভাৰতৰ লগতে অসমকো বিপদৰ পৰা উদ্ধাৰ কৰিব বুলি ড০ শৰ্মাই ভাষণত কয়।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নৱগঠিত চৰকাৰখনে অহা ৫ বছৰত ৰাজ্যৰ প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনৰ অংগীকাৰ লৈছে। যোড়শ অসম বিধানসভা অধিৱেশনৰ কালি চতুৰ্থ দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে উন্নয়ন, সুশাসন আৰু জনকল্যাণৰ জৰিয়তে এখন শক্তিশালী, আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ। কালি সদনত দিয়া ভাষণ প্ৰসংগত তেওঁ ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ উল্লেখনীয় পৰিৱৰ্তনৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰে। তেওঁ কয়, যে গোৱালপাৰা, বজালী আৰু হাইলাকান্দিকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাত ১৪ খন চিকিৎসা মহাবিদ্যালয় ইতিমধ্যে কাৰ্যক্ষম হৈছে আৰু ১১ খনৰ নিৰ্মাণকাৰ্য চলি আছে।

০০০০০০

মধুমেহ, উচ্চ ৰক্তচাপ, হৃদৰোগ আদি অসংক্ৰামক ৰোগৰ আগতীয়া চিনাক্তকৰণ আৰু ব্যৱস্থাপনাৰ লক্ষ্যৰে কৰ্মচাৰী ৰাজ্যিক বীমা নিগমে ৪০ বছৰতকৈ অধিক বয়সৰ বীমাকৃত শ্ৰমিকৰ বাবে দেশজোৰা বিনামূলীয়া বাৰ্ষিক স্বাস্থ্য পৰীক্ষা কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰিছে। নতুন শ্ৰম সংহিতাৰ কল্যাণমূলক নিৰ্দেশনাৰ অধীনত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে যোগ্য বীমাকৃত শ্ৰমিকে সম্পূৰ্ণ বিনামূলীয়াকৈ নিজৰ স্বাস্থ্য পৰীক্ষা কৰোৱাব পাৰিব। উল্লেখযোগ্য যে উত্তৰ-পূৰ্বাঞ্চলত এই সেৱা ইতিমধ্যে উপলব্ধ হৈছে। বীমাকৃত শ্ৰমিকসকলে গুৱাহাটীৰ বেলতলাৰ ই এছ আই চি চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল বা তিনিচুকীয়াৰ ই এছ আই চি চিকিৎসালয়লৈ গৈ স্বাস্থ্য পৰীক্ষা কৰোৱাব পাৰিব।

০০০০০০০

কটন বিশ্ববিদ্যালয়ৰ ১২৬ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি বিশ্ববিদ্যালয়খনৰ কটন এলামনাই ভৱনত প্ৰাক্তন কটনীয়ান সতীৰ্থবৃন্দৰ মত বিনিময় তথা স্মৃতি ৰোমন্থন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সচিব দেৱজিৎ শইকীয়া আৰু ৯০ বছৰ উৰ্ধৰ কেইবাগৰাকীও প্ৰাক্তন কটনীয়ানক সম্বৰ্ধনা জনোৱা হ'ব। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য, শিক্ষাবিদ, সাহিত্যিক ডং অমৰজ্যোতি চৌধুৰীয়ে বক্তৃতা প্ৰদান কৰাৰ লগতে প্ৰাক্তন কটনীয়ানসকলে সংগীত পৰিৱেশন কৰিব।

০০০০০০০

ৰাষ্ট্ৰসংঘ আৰু ইয়াৰ বিশেষ সংস্থা ইউনেস্কোৰ বিষয়ে সম্যক জ্ঞান প্ৰদান কৰাৰ উদ্দেশ্যে কালি গুৱাহাটীৰ পানবজাৰস্থিত ডনবস্ক বিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাত উত্তৰ পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰসংঘৰ সম্পদ কেন্দ্ৰৰ কাৰ্যকৰী সঞ্চালক তথা ইউনেস্কো এচোছিয়েচন গুৱাহাটীৰ সচিব প্ৰধান ড০ অশ্বিনী শৰ্মাই অসম তথা

উত্তৰ পূৰ্বাঞ্চলত চলি থকা ইয়াৰ কাৰ্যকলাপৰ বিষয়ে বিশদভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ ড০ ফাডাৰ এলেক্স মেথিউৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত আছিল।

০০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতা ত যোৱানিশা ধৰমশালাত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে গুজৰাট টাইটানছক ৯২ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

বাংগালুৰুৱে নিৰ্ধাৰণ দিয়া ২৫৫ ৰানৰ বিশাল লক্ষ্য ৰ অনুসৰণ কৰি গুজৰাট টাইটানছে ৩ টা বল বাকী থকা অৱস্থাত আটাইকেইটা উইকেট হেৰুৱাই ১৬২ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰাহুল তেৱাটিয়াই সৰ্বাধিক ৬৮ ৰান কৰে। বেংগালুৰুৰ হৈ জেকব ডাফীয়ে সৰ্বাধিক ৩ টা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২৫৪ ৰান কৰে। দলটোৰ হৈ ৰজত পাটিদাৰে মাত্ৰ ৩৩ টা বলত ৯৩ ৰান কৰি আউট নোহোৱাকৈ ৰয়। বিৰাট কোহলী আৰু ক্ৰুণাল পাণ্ডিয়াই ৪৩ ৰানকৈ অৰিহণা যোগায়। গুজৰাটৰ হৈ কাগিছ ' ৰাবাডা আৰু জেছন হ 'ল্ডাৰে দুটাকৈ উইকেট লাভ কৰে। ৰজত পাটিদাৰক 'প্লেয়াৰ অৱ দ্য মেচ' নিৰ্বাচিত কৰা হয়।

আজি মোহালীৰ নিউ চণ্ডীগড়ত হবলগীয়া 'এলিমিনেটৰ' খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ 'ব। আজিৰ খেলখনৰ বিজয়ী দলটোৱে ফাইনেলত প্ৰৱেশৰ বাবে দ্বিতীয়খন কোৱালিফায়াৰত গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

চুবুৰীয়া দেশৰ পৰা হোৱা ব্যাপক অনুপ্ৰৱেশৰ বাবে দেশৰ সীমান্তৱৰ্তী অঞ্চলসমূহত জনবিন্যাস পৰিৱৰ্তনৰ বিষয়টোক লৈ কেন্দ্ৰীয় চৰকাৰে উদ্বিগ্নতা প্ৰকাশ কৰিছে। জনবিন্যাস পৰিৱৰ্তনে পেলোৱা প্ৰভাৱৰ পৰ্যালোচনাৰ লগতে অনুপ্ৰৱেশ ৰোধ কৰিবলৈ কেন্দ্ৰই এখন উচ্চস্তৰীয় সমিতি গঠন কৰিছে। কালি সামাজিক মাধ্যমত এই বিষয়ে ঘোষণা কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে জনবিন্যাসৰ পৰিৱৰ্তন দেশৰ বৰ্তমান আৰু ভৱিষ্যতৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। নৱগঠিত এই সমিতিয়ে কোনো নিৰ্দিষ্ট সম্প্ৰদায়ৰ জনসংখ্যা অস্বাভাৱিক বৃদ্ধি, ধৰ্মান্তৰকৰণ, লাভ জেহাদ, ভূমি জেহাদ আদি বিষয়সমূহ বিবেচনালৈ আনিব বুলি তেওঁ জানিবলৈ দিয়ে। সৰ্বোচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ প্ৰকাশ প্ৰভাকৰ নাওলেকৰক এই সমিতিৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে।

০০০০০০

**সমাপ্ত**